## ১.২ প্ৰাক্ প্ৰসূতি কালৰ ধাৰণা (Concept of pre-natal period) ঃ

প্ৰাক্ প্ৰসূতি কাল বুলিলে সাধাৰণতে মাতৃগৰ্ভত শিশু অংকুৰিত হোৱাৰ দিনৰ পৰা জন্ম হোৱা সময়লৈকে এই গোটেই সময়খিনিক বুজায়। এটা শিশু মাতৃগৰ্ভত সম্পূৰ্ণ ৯ মাহ ১০ দিন বা ২৮০ দিন থকাৰ পিছত জন্ম লাভ কৰে। অৱশ্যে সকলোৰে ক্ষেত্ৰতে এই সময় একে নহয়।

তোমালোকে ইতিমধ্যে প্ৰথম বাৰ্ষিকৰ পাঠত মহিলা আৰু পুৰুষৰ প্ৰজনন অংগৰ বিষয়ে কিছু আভাস পাইছা। স্ত্ৰী-পুৰুষৰ দৈহিক মিলনৰ ফলত জৈব ৰাসায়নিক প্ৰক্ৰিয়াৰে মাতৃগৰ্ভ সন্তান সম্ভৱা হৈ উঠে। সাধাৰণতে মহিলাৰ ঋতুস্ৰাৱ হোৱাৰ ১২ ৰ পৰা ১৪ দিনৰ ভিতৰত এটা স্ত্ৰীকোষ অণ্ডাশয়ৰ পৰা ওলাই আহি জৰায়ুৰ ফালে গতি কৰে। প্ৰত্যেক মাহৰ এটা নিয়মীয়া ব্যৱধানত স্ত্ৰীকোষ অণ্ডাশয়ৰ পৰা ওলাই আহে। এই সময়তে যদি স্ত্ৰীকোষ পুংকোষৰ

সৈতে মিলন হয় তাক নিষেচন বোলে। এইদৰেই মাতৃগৰ্ভত ভ্ৰূণৰ সৃষ্টি হয়। আনহাতে যদি নিষেচন নহয়, তেতিয়া ভ্ৰূণটো তিনিদিনৰ ভিতৰতে মৰি যায়।

**১.৩ প্ৰাক্ প্ৰসূতি কালৰ স্তৰসমূহ (Stages of pre-natal period) ঃ**

প্ৰাক্ প্ৰসূতি কালৰ গোটেই সময়ছোৱাক তিনিটা বিভিন্ন স্তৰত ভাগ কৰা হৈছে। সেইবোৰ হৈছে—

১। অংকুৰণ বা ডিম্বাণুৰ স্তৰ (Period of ovum or germinal period)

২। ভ্ৰূণৰ স্তৰ (Period of embryo)

৩। গৰ্ভস্থ শিশুৰ স্তৰ (Period of foetus)

**১। অংকুৰণ বা ডিম্বাণুৰ স্তৰ (Period of ovum or germinal period) ঃ**

মাতৃগৰ্ভত ভ্ৰূণৰ সৃষ্টি হোৱাৰ পৰা দুই সপ্তাহলৈকে এই সময়ছোৱা এই স্তৰত পৰে। এই সময়ত নিষেচিত কোষটো মুক্ত হৈ থাকে আৰু কোষটোৰ ভিতৰত থকা কুসুমৰ পৰা পুষ্টি লাভ কৰে। কিন্তু ১০ দিনৰ ভিতৰত কোষটোৱে জৰায়ুত স্থিতি লয় আৰু ইয়াৰ বিভাজন হৈ অন্তৰ্ভাগ আৰু বহিৰ্ভাগ হিচাবে পৃথক হয়। ইয়াৰে বাহিৰৰ ভাগটোৰ পৰা গৰ্ভনাড়ী, গৰ্ভফুল আৰু গৰ্ভফুলৰ মোনাৰ সৃষ্টি হয় আৰু ভিতৰৰ ভাগটোৱে মানৱ আকৃতি লয়। এই অৱস্থাত ডিম্বাণুটো মাতৃৰ পৰিপোষকৰ ওপৰতে নিৰ্ভৰ কৰে।

**২। ভ্ৰূণৰ স্তৰ (Period of embryo) ঃ**

দ্বিতীয় সপ্তাহৰ পিছৰ পৰা দ্বিতীয় মাহৰ শেষলৈকে এই সময়ছোৱা এই স্তৰত পৰে। এই সময়ত ভ্ৰূণে ক্ৰমান্বয়ে মানৱ আকৃতি লয় আৰু ভ্ৰূণৰ দৈৰ্ঘ্য ৩.৫ ছেঃমিঃ হয়গৈ। তাৰোপৰি বাহ্যিক আৰু আভ্যন্তৰীণ অংগসমূহ প্ৰতিষ্ঠিত হৈ বিকাশ হ'বলৈ ধৰে। আঠ সপ্তাহৰ শেষৰ ফালে হৃদযন্ত্ৰৰ ধপধপনি আৰম্ভ হয়। তাৰোপৰি ভ্ৰূণে গৰ্ভফুল আৰু গৰ্ভনাড়ীৰ জৰিয়তে মাতৃদেহৰ পৰা পুষ্টি আহৰণ কৰে। এই স্তৰৰ শেষৰ ফালে ভ্ৰূণৰ দৈৰ্ঘ সময়ত অৰ্থাৎ এই স্তৰৰ শেষৰ ফালে ভ্ৰূণৰ দৈৰ্ঘ $1\frac{1}{2}$-২ ইঞ্চি আৰু ওজন প্ৰায় ৩৫ গ্ৰাম মান হয়গৈ। এই সময়ত যদি মাতৃগৰাকীৰ মানসিক সংঘাত, দুৰ্ঘটনা, উপযুক্ত খাদ্যৰ অভাৱ আদি হয়, তেনেহ'লে গৰ্ভপাত হ'ব পাৰে।

**৩। গৰ্ভস্থ শিশুৰ স্তৰ (Period of foetus) ঃ**

দ্বিতীয় মাহৰ শেষৰ পৰা জন্মৰ সময়লৈকে এই স্তৰৰ অন্তৰ্ভুক্ত। পঞ্চম মাহত সকলোবোৰ বাহ্যিক আৰু আভ্যন্তৰীণ অংগৰ বৃদ্ধি আৰু বিকাশ হৈ এজন ক্ষুদ্ৰাকৃতিৰ মানৱ আকাৰ লয়। তৃতীয় মাহত আঙুলি, নখ, কাণ আদি গঠন হয় আৰু নাকটোৰ গঠন সম্পূৰ্ণ হয়। চতুৰ্থ মাহত হৃদযন্ত্ৰৰ ধপধপনি অনুভৱ কৰা হয় আৰু ভ্ৰূণে গৰ্ভমোনাৰ ভিতৰতে লৰচৰ কৰা অনুভৱ হয়। পঞ্চম মাহত মূৰত চুলি গজিবলৈ ধৰে আৰু ভ্ৰূণৰ দৈৰ্ঘ ১২ ইঞ্চি মান হয়গৈ। এই সময়ত শিশুটোৱে মাতৃগৰ্ভত ভৰিৰে খুন্দিওৱা মাতৃয়ে অনুভৱ কৰিব পাৰে। ষষ্ঠ আৰু সপ্তম মাহত গৰ্ভস্থ শিশুৱে চকু মেলিব পাৰে, ভৰি-হাত দীঘল হয়, হাড়ৰ গঠন হোৱাৰ লগতে হাওঁফাওঁৱে কাৰ্য কৰিবলৈ আৰম্ভ কৰে। এই সময়ত মাতৃগৰাকীৰ জৰায়ু প্ৰসাৰিত হৈ পেটটো ডাঙৰ হয়। মাতৃৰ স্তনৰ পৰা জুলীয়া পদাৰ্থ বাহিৰ হয় আৰু ইয়াকে 'ক'লষ্ট্ৰম' বোলে। এই সময়ত গৰ্ভস্থ শিশুৰ ওজন প্ৰায় ২ কেজি হয়।

অষ্টম আৰু নৱম মাহত শিশুৰ গাৰ ছালৰ ৰং ৰঙা হয়। ছাল, কাণ আদিৰ গঠন ভালদৰে হয়। জৰায়ুৰ চাৰিওফালে শিশুটোৱে লৰচৰ কৰি থাকে। এই সময়ৰ পৰাই মাতৃৰ গৰ্ভ সম্প্ৰসাৰিত নহয় আৰু

সৰু সৰু ল'ৰা-ছোৱালীৰ বিষয়ে জানো আঁহা (০-৩ বছৰ)

গৰ্ভত থকা শিশুটোৰ চাল-চলন কৰি আছে। নৱম মাহৰ শেষৰ ফালৰপৰা শিশুটোৱে মূৰটো তললৈ কৰি থাকে। এই অৱস্থাত শিশুটো ভূমিষ্ঠ হ'বৰ বাবে জন্মপথৰ ওচৰত থাকেহি। এই সময়ত শিশুটোৰ উচ্চতা ১০-২০ ইঞ্চি আৰু ওজন ৩ কে.জি. হয়। এইদৰে গৰ্ভধাৰণৰ পৰা ২৮০ দিনৰ পিছত বা ৯ মাহৰ পিছত শিশু জন্ম হয়।